আদৰ্শগাঁও বালিতাৰা গাঁৱত বোকাময় পথ

বোকাময় পথত ভূঁই ৰুই ৰাইজৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৪ মে’ ঃ নলবাৰী জিলাৰ এখন আদৰ্শ গাঁৱৰ যাতায়াতৰ দুৰৱস্থাই সম্প্ৰতি চৰকাৰৰ উন্নয়নৰ স্বৰূপ প্ৰকট কৰিছে। জিলাখনৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত আদৰ্শ গাঁওখন হ’ল ৩১ নম্বৰ ঘাইপথৰ উত্তৰে অৱস্থিত বালিতাৰা। এই আদৰ্শ গাঁওখনৰ পূব বালিতাৰাবাসী ৰাইজে আজি দীৰ্ঘদিনৰ পৰা যাতায়াতৰ ক্ষেত্ৰত যমৰ যন্ত্ৰণা ভুগি অহা এটা পথাৰসদৃশ বোকাময় পথত ভূঁই ৰুই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে কৃষিবান্ধ আঁচনিৰ জৰিয়তে চাৰি লাখ ১০ হেজাৰ টকা ব্যয়ৰে ৫১০ মিটাৰ দৈৰ্ঘ্যৰ পথছোৱা নিৰ্মাণৰ বাবে ধন অনুমোদন হৈছিল। উক্ত কৃষি বান্ধটোৰ কাম ঠিকাদাৰে গাঁও পঞ্চায়তৰ এগৰাকী সদস্যক দায়িত্ব দিয়ে যদিও তেওঁ বান্ধটোৰ ২৪০ মিটাৰ দৈৰ্ঘ্যত মাটি ছটিয়াই কাম সমাপন কৰিব বিচৰাত গাঁওবাসী ৰাইজ ক্ষুব্ধ হৈ পৰে। পথটোৰ একাংশত পথাৰৰ মাটি ট্ৰেক্টৰেৰে ছটিওৱাৰ ফলত ২৪০ মিটাৰ দৈৰ্ঘ্যৰ পথছোৱা একাঁঠু বোকাৰে উপচি পৰে। ফলত গাঁওখনৰ কৃষিজীৱী লোকসকল পথাৰৰ কাম কৰিবলৈ যোৱাটো বাদেই হালোৱা গৰু, গাইগৰুৱো ভৰি কঁপি উঠে। পথটোৰ প্ৰাক্কলন অনুসৰি বহল ১০ ফুট আৰু ওখ চাৰি ফুট হ’ব লাগে যদিও ঠিকাদাৰে মইমতালিৰে কাম সম্পন্ন কৰাৰ অভিযোগ উত্থাপন কৰিছে গাঁওবাসী ৰাইজে। দীৰ্ঘদিনৰ পৰা যমৰ যন্ত্ৰণা ভুগি অহা গাঁওখনৰ পাঁচটা চুবুৰিৰ কৃষিজীৱী লোকসকলে পথটোত সংঘটিত ব্যাপক অনিয়মৰ তদন্তৰ দাবী উত্থাপন কৰিছে। ইপিনে, গুৰুত্বপূৰ্ণ পথটোৰ নিৰ্মাণৰ ক্ষেত্ৰত ঠিকাদাৰে কৰা দুৰ্নীতি-অনিয়মৰ তদন্ত বিচাৰি গাঁওখনৰ ৰাইজে যোৱা ২২ মে’ত নলবাৰী জিলা উপায়ুক্তৰ ওচৰত এখন অভিযোগ পত্ৰ প্ৰদান কৰিছে। ৰাইজে বিধায়ক অশোক কুমাৰ শৰ্মাৰো হস্তক্ষেপ দাবী কৰিছে।

কৃষক মুক্তিৰ প্ৰতিবাদত উত্তাল বালিজানা উন্নয়ন খণ্ড

অগ্ৰদূত বাৰ্তা

আগিয়া, ২৪ মে’ ঃ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গোৱালপাৰা জিলা সমিতিৰ নেতৃত্বত আজি শতাধিক ৰাইজে বালিজানা উন্নয়ন খণ্ডৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উন্নয়ন খণ্ডটোত দীৰ্ঘদিনৰ পৰা এম জি এনৰেগা, বৃদ্ধ পেঞ্চন, ইন্দিৰা আৱাস যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা আদি বিভিন্ন আঁচনি ৰূপায়ণত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি পৰমা ৰাভা আৰু সম্পাদকদ্বয় মণিশংকৰ গয়াৰী আৰু নবিউল ইছলামৰ নেতৃত্বত আজি পুৱা ১১ বজাত দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি বিভিন্ন শ্ল’গান দিয়ে। ইয়াৰ পাছত জবকাৰ্ডধাৰী শ্ৰমিকক এশ দিনৰ কাম আদায় দিয়া, বালিজানা উন্নয়ন খণ্ড অঞ্চলৰ বিধ্বস্ত ৰাস্তা-ঘাট মেৰামতি কৰা, জবকাৰ্ডধাৰী শ্ৰমিকৰ মজুৰি আদায় দিয়া, উপযুক্ত পৰিয়ালক শৌচাগাৰ নিৰ্মাণ কৰি দিয়া, পঞ্চায়তৰ দুৰ্নীতি ৰোধ কৰি আঁচনিৰ সফল ৰূপায়ণ কৰা, দুখীয়া পৰিয়ালক আই এ ৱাই বা পি এম ৱাই ঘৰ নিৰ্মাণ কৰি দিয়া যোগ্য লোকক বৃদ্ধ বা বিধবা পেঞ্চন আদায় দিবলৈ খণ্ড উন্নয়ন বিষয়াক এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। খণ্ড উন্নয়ন বিষয়াই স্মাৰকপত্ৰ গ্ৰহণ কৰি সংগঠনৰ নেতৃত্বই তথ্যসহকাৰে উপযুক্ত প্ৰমাণ দাখিল কৰিলে এসপ্তাহৰ ভিতৰত ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। কৃষক নেতা মণিশংকৰ গয়াৰীয়ে অভিযোগ কৰি কয় যে আগিয়া পঞ্চায়তত ২০১৫ বৰ্ষত ৰংবং নদীত মথাউৰি নিৰ্মাণৰ বাবদ এক লাখ ৭২ হেজাৰ টকা মোকলোৱা সত্ত্বেও এক লাখ টকাহে জবকাৰ্ডধাৰী শ্ৰমিকক আদায় দি ৭২ হেজাৰ টকা আত্মসাৎ কৰাৰ বিষয়ে জবাবদিহি কৰাত খণ্ড উন্নয়ন বিষয়াজন বিব্ৰত হৈ পৰে। বিগত পাঁচ বছৰৰ পৰা আগিয়া পঞ্চায়ত অঞ্চলত শতাধিক আই এ ৱাই গৃহ অসম্পূৰ্ণ হৈ থকাৰ অভিযোগো বিষয়াজনে খণ্ডন কৰিব নোৱৰাত অধিক উত্তেজিত হৈ পৰা পৰিলক্ষিত হয় সংগঠনৰ নেতৃবৃন্দৰ লগতে ৰাইজ। বিষয়াজনৰ এনে পৰস্পৰবিৰোধী আচৰণত অসন্তুষ্ট সংগঠনৰ নেতৃবৃন্দই ক্ষোভ প্ৰকাশ কৰে।

আঁচনি ৰূপায়ণত অনিয়ম

MGNREGA
দাবীত
বালিজানা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় ঘেৰাও
কৃষক মুক্তি সংগ্ৰাম সমিতি, গোৱালপাৰা জিলা

কৃষক মুক্তিৰ প্ৰতিবাদত উত্তাল বালিজানা উন্নয়ন খণ্ড, বুধবাৰে।

আক্ৰাছুৰ কাইলৈৰ পৰা আহ্বান জনোৱা ৩৬ ঘণ্টীয়া কমতাপুৰ বন্ধ প্ৰত্যাহাৰ

অগ্ৰদূত ব্যুৰ’

বঙাইগাঁও, ২৪ মে’ ঃ কমতাপুৰ ৰাজ্যৰ পুনৰ গঠন, অসমৰ কোচ ৰাজবংশীক জনজাতিৰ মৰ্যাদা প্ৰদানত কেন্দ্ৰীয়-ৰাজ্য চৰকাৰে গুৰুত্ব প্ৰদান নকৰাত কাইলৈ পুৱা পাঁচ বজাৰ পৰা আক্ৰাছু (পি)য়ে আহ্বান জনোৱা ৩৬ ঘণ্টীয়া কমতাপুৰ বন্ধ সাময়িকভাৱে প্ৰত্যাহাৰ কৰিছে। অহা জুনৰ প্ৰথম সপ্তাহত আক্ৰাছুৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্য সচিবৰে সমস্যা সন্দৰ্ভত আলোচনাৰ বাবে কালি প্ৰতিশ্ৰুতি দিয়াত সংগঠনটোৱে বন্ধ প্ৰত্যাহাৰ কৰে। আজি আক্ৰাছুৰ সভাপতি প্ৰদীপ ৰায়ে বঙাইগাঁৱৰ ভাকাৰিভিটাস্থিত আক্ৰাছুৰ মুখ্য কাৰ্যালয়ত আয়োজন কৰা এক সংবাদমেলত এই কথা সদৰী কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ প্ৰাক্‌মুহূৰ্তত আক্ৰাছুৱে বিজেপি নেতৃত্বাধীন চৰকাৰে কমতাপুৰ সমস্যা সমাধানত গুৰুত্ব প্ৰদান নকৰাত এই বন্ধৰ আহ্বান জনাইছিল।

এবছৰীয়া কাৰ্যকালত প্ৰতিশ্ৰুতি পুৰণত ব্যৰ্থ চৰকাৰ

জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ

অগ্ৰদূত বাৰ্তা

যোৰহাট, ২৪ মে’ ঃ পৰিৱৰ্তনৰ সপোন দেখুৱাই শাসনলৈ অহা বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে এবছৰ সম্পূৰ্ণ কৰিলে যদিও চৰকাৰখনে অসমৰ ৰাইজৰ আশা-আকাংক্ষা পুৰণ কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপিত কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিয়ে। সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকে এক বিবৃতিযোগে উল্লেখ্য কৰে যে চৰকাৰখনে বিধানসভা নিৰ্বাচনৰ পূৰ্বে যি আশা-প্ৰত্যাশা লৈ ৰাইজক আশ্বস্ত কৰিছিল সেয়া যেন যোৰহাটত এতিয়া ফুটুকাৰ ফেনত পৰিণত হ’ল। কিয়নো যোৰহাট জিলাৰ বাবে যিসমূহ অভিলাষী পদক্ষেপ হাতত লৈ বিজেপিয়ে ৰাইজক সন্মোহিত কৰিছিল সেইবোৰ এবছৰ পাছতে যৎকিঞ্চিতো ৰূপায়ণ কৰিবলৈ সক্ষম নহ’ল। বিশেষকৈ জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা প্ৰদানত যোৰহাট জিলাত ব্যৰ্থ হৈছে বুলি সংগঠনটোৱে অভিযোগ কৰে। পৰিস্থিতি ইমানেই ভয়াবহ হৈ উঠিছে যে নিশাৰ ভাগত যুৱতী-মহিলা ৰাজপথলৈ ওলাই আহিবলৈ শংকাবোধ কৰিব লগা হৈছে। শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ যোৰহাট জিলাত এতিয়া অপসংস্কৃতিয়ে গ্ৰাস কৰা বুলি মন্তব্য কৰিছে সংগঠনটোৰ জিলা সমিতিয়ে। বিবৃতিটোত সংগঠনটোৱে অভিযোগ কৰা মতে, যোৰহাট জিলাৰ নিমাতি ঘাটৰ খহনীয়া প্ৰতিৰোধ কৰাত বিগত এটা বছৰত সম্পূৰ্ণৰূপে ব্যৰ্থ হ’ল বিজেপি চৰকাৰ। ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই নিমাতিৰ লগতে যোৰহাট জিলাত ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ পাছতো খহনীয়া প্ৰতিৰোধৰ বাবে বিগত এবছৰে কোনো দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ নকৰিলে। তদুপৰি জিলাখনত যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ কোনো উন্নয়ন নহ’ল। যোৰহাটৰ পথৰ মাজত পুখুৰীসদৃশ দ গাঁতসমূহ এতিয়া মৃত্যুদূতত পৰিণত হোৱাৰ লগতে যোৰহাট নগৰত যান-জঁট সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ইপিনে, নিৰ্বাচনৰ পূৰ্বে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে ন-আলি ৰেল লাইনৰ ওপৰত উৰণীয়া সেতু নিৰ্মাণ কৰিব বুলি দিয়া প্ৰতিশ্ৰুতি বাস্তৱায়িত নহ’ল বুলিও অভিযোগ কৰে সংগঠনটোৱে। যোৰহাটৰ মৰিয়নি সীমান্তত নগাই থলুৱা অসমীয়াৰ ওপৰত নিৰ্যাতন চলাই থকাৰ পাছতো বৰ্তমানৰ চৰকাৰখনে কোনো পদক্ষেপ গ্ৰহণ নকৰা বুলি অভিযোগ কৰিছে জিলা সমিতিয়ে।

কাইলৈ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব এছিয়াৰ দীৰ্ঘতম সেতু

ধলা-শদিয়া সেতু বীৰ ৰাঘৱৰ নামত নামাংকিত কৰিবলৈ দাবী

ডুমডুমা, ২৪ মে’ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলীয়া এছিয়া মহাদেশৰ দীৰ্ঘতম ধলা-শদিয়া সংযোগী দলংখনৰ নাম বীৰ ৰাঘৱ মৰাণৰ নামত উৎসৰ্গা কৰিবলৈ দাবী জনাইছে সদৌ অসম মৰাণ ছাত্ৰ সন্থাকে ধৰি মৰাণ জনগোষ্ঠীয় সংগঠনসমূহে। অহা ২৬ মে’ত প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া দলংখনৰ নামকৰণক লৈ ৰাইজৰ মাজত চৰ্চা অব্যাহত থকাৰ সময়তে মৰাণ ছাত্ৰ সন্থাই আজি এক বিবৃতিযোগে এই দাবী জনাইছে। এক বিবৃতিত সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা, মৰাণ সাহিত্য সভাৰ সভাপতি তৰুণ বৰুৱা, মৰাণ ছাত্ৰ সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণে কয় যে ইতিহাসপ্ৰসিদ্ধ মোৱামৰীয়া গণ বিপ্লৱৰ প্ৰধান নেতা, ভূমিপুত্ৰ মৰাণসকলৰ প্ৰতিভূ ৰাঘৱ মৰাণৰ লগতে সাধাৰণ জনগণৰ অবিস্মৰণীয় ঐক্যৰ দৃষ্টান্ত যুগমীয়া কৰিবৰ বাবে দলংখনৰ নাম বীৰ ৰাঘৱ মৰাণ সেতু কৰিব লাগে। চলিত মাহৰ প্ৰথম সপ্তাহত ডিব্ৰুগড়ৰ চৌকিডিংগী খেলপথাৰত মৰাণ ছাত্ৰ সন্থাৰ অনুষ্ঠিত কেন্দ্ৰীয় অধিৱেশনৰ মুকলি সভাত এই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক লুৰিণজ্যোতি গগৈ, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সাংসদ বিশ্বজিৎ দৈমাৰী, আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতীয়া, উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা উপমন্যু হাজৰিকা, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক টংকেশ্বৰ সোণোৱাল, সোণোৱাল-কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দীপৰঞ্জন মাক্ৰাৰী, আটাছাৰ সাধাৰণ সম্পাদক পৱন বেদীয়া, বিধায়কদ্বয় বলিন চেতীয়া আৰু ঋতুপৰ্ণ বৰুৱা, সদৌ অসম মটক সন্মিলনৰ সাধাৰণ সম্পাদক কাজল গোহাঁইকে ধৰি ভালেসংখ্যক লোকৰ অকুণ্ঠ সমৰ্থনত মুকলি সভাত এই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল বুলি প্ৰকাশ কৰিছে সংগঠনটোৱে। এই প্ৰস্তাৱ স্মাৰকপত্ৰযোগে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰাৰ লগতে দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰীলৈ প্ৰতিলিপি প্ৰেৰণ কৰা হৈছিল। আনহাতে, একাংশ লোকে দীৰ্ঘতম দলংখন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামতহে নামকৰণ কৰিবলৈ দাবী জনাইছে। সেয়েহে লক্ষ্যণীয়ভাৱে জাতি, মাটি, ভেটিৰ শ্ল’গান দিয়া বিজেপি চৰকাৰখনে দলংখন কাৰ নামত নামাংকিত কৰিব।

বেবেজীয়াত পথ দুৰ্ঘটনাত মৃত্যু

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ২৪ মে’ ঃ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত জামুগুৰি গাঁৱৰ নিবাসী অনিল নাথ (৫০)ৰ যোৱা নিশা এক পথ দুৰ্ঘটনাত মৃত্যু হয়। জানিব পৰা মতে, মেঘালয়ৰ বৰ্ণিহাটত এটা কোম্পানীত কৰ্মৰত নাথে পৰহি দৰমহা লৈ খানাপাৰাত গাড়ীৰ বাবে অপেক্ষা কৰি আছিল। নিশা প্ৰায় ১০ বজাত ঘৰলৈ আহিবলৈ ৰৈ থকা নাথক কোনো গাড়ীয়ে খুন্দিয়াই গুৰুতৰভাৱে আহত কৰি পেলাই থৈ যায়। পাছত আৰক্ষীয়ে নাথক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও নিশা প্ৰায় ১-৩০ বজাত তেওঁৰ মৃত্যু হয়। পত্নী আৰু তিনি কন্যা সন্তানক এৰি থৈ যোৱা নাথৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

পথ মেৰামতিৰ দাবীত ৰাইজৰ অৱৰোধ

অগ্ৰদূত বাৰ্তা

দুলীয়াজান, ২৪ মে’ ঃ দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা ভাদৈ শাখা, নাওশলীয়া উপ-শাখা আৰু স্থানীয় ৰাইজে আজি পুৱা মধুটিং তিনি আলি পথ মেৰামতিৰ দাবীত অইল ইণ্ডিয়াৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে উক্ত পথছোৱা ছঘণ্টা অৱৰোধ কৰে। হুকুটা চাৰিআলিৰ পৰা মধুটিং তিনিআলিলৈকে পাঁচ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱা আহল-বহলকৈ মেৰামতি কৰাৰ লগতে ষ্ট্ৰীট লাইট স্থাপনৰ দাবীত ছাত্ৰ সন্থাই অইল কৰ্তৃপক্ষক দীৰ্ঘদিনৰ পৰা দাবী জনাই আহিছিল যদিও কৰ্তৃপক্ষৰ গা নলৰাত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পাছত অইলৰ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ এই সন্দৰ্ভত ৰাইজৰে অহা ২৬ মে’ত আলোচনা কৰিব বুলি সদৰী কৰাত প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

বিদ্যুৎস্পৃষ্ট হৈ মহিলাৰ মৃত্যু খেৰণিত

বিশেষ সংবাদদাতা

খেৰণি, ২৪ মে’ ঃ পশ্চিম কাৰ্বি আংলং তথা খেৰণি থানাৰ অন্তৰ্গত বৰমাটিখোলাৰ গাৰো গাঁৱত আজি সংঘটিত হ’ল এক শোকাৱহ ঘটনা। বিদ্যুৎ স্পৃষ্ট হৈ মৃত্যু হয় এগৰাকী ৫৫ বছৰীয়া মহিলাৰ। ঘটনাৰ বিৱৰণি মতে, আজি পুৱা প্ৰায় ৫-৩০ বজাত খেৰণিৰ বৰমাটিখোলা গাৰো গাঁৱৰ নিবাসী হৰি গৌৰৰ পত্নী পাৰ্বতী গৌৰে প্ৰাতঃভ্ৰমণৰ বাবে বাসগৃহৰ নিলগতে থকা কুঁহিয়াৰ খেতিলৈ বুলি যায়। তেনে অৱস্থাতে দুৰ্ভাগ্যজনকভাৱে খেতিৰ মাজত পৰিত্যক্ত অৱস্থাত বিদ্যুৎ প্ৰবাহ হৈ থকা এডাল তাঁৰত লাগি কৰুণ মৃত্যু হয় মহিলাগৰাকীৰ। আনহাতে, ঘটনাস্থলীত মহিলাগৰাকীক তেনে অৱস্থাত প্ৰত্যক্ষ কৰি প্ৰত্যক্ষদৰ্শীয়ে চিঞৰ-বাখৰ কৰাত অঞ্চলটোত এক হুৱা দুৱাৰ সৃষ্টি হয়। তেনে সময়ত সকলোৰে অজ্ঞাতে মহিলাগৰাকীৰ কন্যা পূৰ্ণিমা গৌৰে (২৮) মাটিত পৰি থকা মাতৃক তুলিবলৈ যাওঁতে যুৱতীগৰাকীও বিদ্যুৎস্পৃষ্ট হৈ অচেতন হৈ পৰে। অৱশ্যে কথমপি প্ৰাণ ৰক্ষা পৰে পূৰ্ণিমাৰ। উল্লেখ্য যে দীৰ্ঘদিন ধৰি চলি থকা বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা অঞ্চলটোৰ ৰাইজে সকাহ পোৱাৰ বাবে অথবা পথাৰৰ খেতি ৰক্ষা কৰিবলৈ এইদৰে তাঁৰত নিশাৰ ভাগত বিদ্যুৎ প্ৰবাহিত কৰি ৰাখে বুলি একাংশ লোকে জানিবলৈ দিয়ে। আনকি অঞ্চলটোত কে’বা ঠাইতো কুঁহিয়াৰ খেতিত নিশা পহৰা দিয়াৰ বাবে গছৰ ওপৰত চাংঘৰ আদি সাজি ৰখাও পৰিলক্ষিত হৈছে। গুৰুত্বপূৰ্ণ কথা যে আজি পুৱা প্ৰায় ৫-৩০ বজাত ঘটনা সন্দৰ্ভত মূৰত সৰগ পৰা যেন হৈ পৰা পৰিয়ালটোৱে দিনৰ দুই বজাতহে আৰক্ষীক অৱগত কৰাত ঘটনাৰ সবিশেষ পোহৰলৈ আহে। ইতিমধ্যে মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফুলৈ প্ৰেৰণ কৰাৰ হেতু আৰক্ষীয়ে ব্যৱস্থা হাতত লৈছে।

মাজুলীত মথাউৰিৰ সুৰক্ষাত ৰাইজৰ সহযোগিতা আহ্বান

জলসম্পদ বিভাগৰ জন সজাগতামূলক অভিযান

অগ্ৰদূত বাৰ্তা

মাজুলী, ২৪ মে’ ঃ বাৰিষাৰ প্ৰাক্‌ক্ষণত মাজুলী জিলাত মথাউৰিৰ সুৰক্ষা আৰু সংৰক্ষণত নৈপৰীয়া ৰাইজকো অংশীদাৰ কৰি আগবাঢ়িবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিছে মাজুলী জিলা প্ৰশাসনে। নদীদ্বীপ জিলাখনৰ ৰক্ষা কৱচ স্বৰূপে ব্ৰহ্মপুত্ৰ মথাউৰিৰ লগতে সোৱনশিৰি নদীৰ মথাউৰিৰ দাঁতিত বাস কৰা লোকসকলৰ মাজত অহা ২৬ মে’ৰ পৰা এলানি বান-সজাগতা শিবিৰৰ আয়োজন কৰিছে জলসম্পদ বিভাগে। মাজুলীৰ উপায়ুক্ত পল্লৱ গোপাল ঝাৰ নিৰ্দেশত বিভাগটোৱে মথাউৰিয়ে মথাউৰিয়ে আয়োজন কৰা এই বান-সজাগতা সভাত মাজুলী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়েও সহযোগিতা আগবঢ়াব। জলসম্পদ বিভাগৰ মাজুলী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা বুধিন্দ্ৰ শ্যামে প্ৰকাশ কৰা মতে মথাউৰিৰ কাষত বাস কৰা লোকসকলৰ মাজত মথাউৰিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সংৰক্ষণ সন্দৰ্ভত সজাগতাৰ লগতে দায়িত্ববোধৰ বাতাবৰণ গঢ়াৰ উদ্দেশ্যে বিভাগটোৰ বিষয়া-অভিযন্তাসকল আৰু ৰাজহ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে এই বান-সজাগতা শিবিৰত ভাগ লৈ ৰাইজক মথাউৰিৰ সুৰক্ষাত অংশীদাৰ হ’বলৈ আহ্বান জনাব। তদুপৰি আগন্তুক বাৰিষাৰ সময়ছোৱাত মথাউৰিৰ কোনো অংশত ভাবুকিৰ সৃষ্টি হ’লে, সেই বিষয়ে তাৎক্ষণিকভাৱে জলসম্পদ বিভাগ আৰু প্ৰশাসনক অৱগত কৰোৱাৰ বাবেও এই সজাগতা শিবিৰসমূহৰ জৰিয়তে স্থানীয় ৰাইজক সচেতন কৰা হ’ব। অহা ২৬ মে’ৰ পুৱা ১০ বজাত প্ৰথমখন বান সজাগতা শিবিৰৰ সভা অনুষ্ঠিত হ’ব দক্ষিণ কমলাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ বামুণগাঁও অংশত। সেইদিনাই দুপৰীয়া ১২ বজাত একেটা মথাউৰিৰে শ্ৰীলুহিত গাঁও পঞ্চায়তৰ অন্তৰ্গত গোৱালগাঁও অংশত দ্বিতীয় বান-সজাগতা শিবিৰ সম্পন্ন কৰা হ’ব।

বৰপথাৰত তিনিদিন ধৰি বিদ্যুৎ ব্যাহত ঃ উৎকট গৰমত জ্বলা-কলা খাইছে ৰাইজে

অগ্ৰদূত বাৰ্তা

বৰপথাৰ, ২৪ মে’ ঃ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৰপথাৰ মৌজাত বিদ্যুতৰ লুকা-ভাকুৱে বাৰুকৈয়ে জ্বলা-কলা খুৱাইছে স্থানীয় ৰাইজৰ লগতে উদ্যোগপতিসকলক। জানিব পৰা মতে, বিগত তিনিদিন ধৰি বৰপথাৰ নগৰৰ লগতে গ্ৰামাঞ্চলসমূহত বিদ্যুৎ ব্যাহত হৈ থকাৰ ফলত বিভিন্ন শিক্ষানুষ্ঠান, চিকিৎসালয়ৰ ৰোগী, বিভিন্ন ক্ষুদ্ৰ উদ্যোগৰ লগতে অঞ্চলটোৰ বিদ্যুৎ গ্ৰাহকসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। ইফালে, বিদ্যুৎ গ্ৰাহক তথা স্থানীয় ৰাইজ উৎকট গৰমত বিদ্যুৎ অবিহনে সন্মুখীন হোৱা পৰিস্থিতিৰ কথা অকণো গুৰুত্ব দিয়া নাই ধনশিৰি মহকুমাৰ বিদ্যুৎ বিভাগে। আনহাতে, যোৱা চাৰি মে’ত ধুমুহাই বৰপথাৰ মৌজাৰ ছেৰাগুৰি, কৰ্দৈগুৰিকে আদি বহুসংখ্যক গাঁৱৰ বহু বাসগৃহ ধ্বংস কৰাৰ লগতে বিদ্যুতৰ তাঁৰ আৰু খুঁটা ভাঙি ব্যাপক অনিষ্ট সাধন কৰিছিল; কিন্তু পৰিতাপৰ বিষয় যে ইমান দিনৰ পাছতো উক্ত ঠাইসমূহত বিদ্যুৎ সংযোগৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। ইফালে, শীঘ্ৰে বৰপথাৰ মৌজাত বিদ্যুৎ বিভাগে বিদ্যুৎ নিয়মীয়াকৰণৰ সু-ব্যৱস্থা নকৰিলে ৰাইজে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি ৰাইজে হুংকাৰ দিছে।

প্ৰাক্তন জোৱানৰ ছুৰিকাঘাতত আহত যুৱক

অগ্ৰদূত বাৰ্তা

মঙলদৈ/দেওমৰনৈ, ২৪ মে’ ঃ মঙলদৈ আৰক্ষী থানাৰ অন্তৰ্গত দীঘৰিপাৰত আজি বিয়লি চাৰি বজাত এজন অৱসৰপ্ৰাপ্ত বি এছ এফ জোৱানৰ চুৰিকাঘাতত এজন যুৱক গুৰুতৰভাৱে আহত হয়। শিৱ প্ৰসাদ ডেকা (৫৫) নামৰ জোৱানজনে দীঘিৰপাৰৰ বটাবাৰীৰ বাসিন্দা চিন্ত দত্ত নামৰ যুৱকজনক কোনো কাৰণ নোহোৱাকৈ চুৰিৰে তলপেটত আঘাত হানি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পাছত যুৱকজনক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছত চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। পাছত অভিযুক্ত ডেকাক আৰক্ষীয়ে আটক কৰে।

চুঙাজানত বড়ো সাহিত্য সভাৰ শাখা গঠন

অগ্ৰদূত বাৰ্তা

সৰুপথাৰ, ২৪ মে’ ঃ ‘পূৰ্ণাংগ এটা জাতি হ’বলৈ সাহিত্য থাকিব লাগিব। সাহিত্য থাকিলেহে ভাষা, ধৰ্ম, সংস্কৃতি আদি জীয়াই থাকিব। ২০০৩ত বড়ো ভাষা সংবিধানৰ অষ্টম অনুচ্ছেদত অন্তৰ্ভুক্ত হোৱাৰ পৰা বড়ো ভাষা আজি ভাৰতৰ স্বীকৃতি প্ৰাপ্ত ভাষা হিচাপে পৰিগণিত হাম’ ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ চুঙাজানত বড়ো সাহিত্য সভাৰ এটা শাখা গোট গঠন কৰাৰ উদ্দেশ্যে অনুষ্ঠিত এক ৰাজহুৱা সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি এইদৰে মন্তব্য আগবঢ়ায় বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে। ধনশিৰি জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত চুঙাজানত পদুম পুখুৰীত অনুষ্ঠিত এই ৰাজহুৱা সভাত সভাপতিত্ব কৰে বিবেকানন্দ বসুমতাৰীয়ে। ধনশিৰি জিলা শাখাৰ সম্পাদক বিনন্দ বড়োছাই আঁত ধৰা সভাত বড়ো লেখক সংস্থাৰ সম্পাদক মহেশ্বৰ বসুমতাৰী, বড়ো জীগা আফাদৰ সভাপতি মণিৰাম মেচ, বড়ো-কছাৰী জাতীয় পৰিষদৰ উপ-সভাপতি পুনেশ্বৰ বসুমতাৰী, গৌতম মেচ আদি ভালেকেইজন ব্যক্তি উপস্থিত থাকে। সভাত জয়ৰাম খাখলাৰীক সভাপতি, হৰি বসুমতাৰীক উপ-সভাপতি, গৌতম মেচক সম্পাদক, ৰিন্দু বসুমতাৰীক সহকাৰী সম্পাদক আৰু সুমিত মেচক কোষাধ্যক্ষৰূপে লৈ বড়ো সাহিত্য সভাৰ চুঙাজান শাখা গঠন কৰা হয়।

বগৰীবাৰীত টিপকাই নৈত নিৰুদ্দিষ্ট ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা, বগৰীবাৰী, ২৪ মে’ ঃ যোৱা ন এপ্ৰিলত ধুবুৰী জিলাৰ বিলাসীপাৰা আৰক্ষী থানাৰ অন্তৰ্গত বগৰীবাৰীৰ সমীপৱৰ্তী টিপকাই নৈৰ বৰচৰ-আগুমাৰী ঘাটত সন্ধানহীন হৈ থকা দুই ছাত্ৰৰ ভিতৰত আজি দুপৰীয়া এজন ছাত্ৰৰ মৃতদেহ উদ্ধাৰ হয়। নদীৰ ঘাটত স্থানীয় ৰাইজে উৰলি যোৱা এটি শৱদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰীলৈ প্ৰেৰণ কৰে। ইপিনে, আজি উদ্ধাৰকৃত মৃতদেহটো চালাবান্ধা গাঁও নিবাসী আব্দুল কুদ্দুছৰ পুত্ৰ আবুল হাছিম (১৫) বুলি চিনাক্ত কৰা হৈছে। আনহাতে, আনজন ছাত্ৰ ইফতিকাৰ হুছেইন (১৮)ৰ আজিও সন্ধান ওলোৱা নাই।

সৰুপথাৰত ৰাইজে মেৰামতি কৰিলে বিধ্বস্ত পথ, বুধবাৰে।

সৰুপথাৰত বিধ্বস্ত পথ মেৰামতিৰ বাবে ওলাই আহিল পুৰুষ-মহিলা

অগ্ৰদূত বাৰ্তা

সৰুপথাৰ, ২৪ মে’ ঃ জাতি-মাটি-ভেটি ৰক্ষাৰ লগতে উন্নয়নৰ পৰিৱৰ্তনৰ শ্ল’গানেৰে শাসনৰ গাদী দখল কৰা সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দি ধনশিৰি মহকুমাৰ সদৰ সৰুপথাৰৰ এক নম্বৰ পদুমণিৰ এটা অতি গুৰুত্বপূৰ্ণ উপপথ আজি মেৰামতিৰ বাবে ওলাই আহিল স্থানীয় পুৰুষ-মহিলা। সম্পূৰ্ণ ৰাজহুৱা শ্ৰমদানেৰে ঘৰৰ কামবন এৰি পুৰুষ-মহিলাই পুতিলেহি মেৰামতিৰ অভাৱত বিধস্ত হৈ পৰা এক নম্বৰ পদুমণিৰ ৰেল ক্ৰ’ছিংৰ পৰা অ’ এন জি চি কল’নী পৰ্যন্ত জৰাজীৰ্ণ পথছোৱাত সৃষ্টি হোৱা পুখুৰী সদৃশ গাঁতসমূহ। উল্লেখ্য যে গোলাঘাট জিলাৰ সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ধনশিৰি মহকুমাৰ সৰুপথাৰ এক নম্বৰ পদুমণি ৰেল ক্ৰ’ছিঙৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ৰ গাতে লাগি থকা অ’ এন জি চি কল’নী পৰ্যন্ত সামান্য পথছোৱা বহু বছৰ ধৰি বিভাগীয় কৰ্তৃপক্ষই মেৰামতিৰ কোনো ব্যৱস্থা নোলোৱাত জৰাজীৰ্ণ হৈ পৰিছে। লগতে পথটোৰ ঠায়ে ঠায়ে দ’ দ’ গাঁতৰ সৃষ্টি হয়। বাৰিষা সামান্য এজাক বৰষুণতে পথছোৱা বোকাময় হৈ কদৰ্য ৰূপ ধাৰণ কৰে। আনহাতে, এই পথছোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গুৰুত্বপূৰ্ণ পথ। সৰুপথাৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী দৈনিক এই পথেদি অহা-যোৱা কৰে। স্থানীয় ৰাইজে কে’বাবছৰ ধৰি বিভাগীয় কৰ্তৃপক্ষ, ৰাইজৰ প্ৰতিনিধিক এই বিষয়ে অৱগত কৰাই আছিল যদিও কোনো ফল নধৰাত আজি ৰাইজ নিজেই ওলাই আহে। ৰাইজৰ দান বৰঙণিৰে পথছোৱাত কিছু শিল পৰে যদিও পথটো সম্পূৰ্ণ যাতায়াতৰ উপযোগী হৈ উঠা নাই। এক নম্বৰ পদুমণিৰ পুৰুষ-মহিলাই হাতে হাতে কোৰ, বেলচা আদি লৈ শ্ৰমদানেৰে পথছোৱা নিৰ্মাণ কৰাৰ প্ৰয়াস কৰে।

হাজোত অজগৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

হাজো, ২৪ মে’ ঃ হাজোৰ শইকীয়াপাৰাত আজি এডাল প্ৰকাণ্ড অজগৰ উদ্ধাৰ হয়। শইকীয়াপাৰাৰ মুকুট আলী নামৰ লোকজনৰ বাসগৃহৰ পাছফালে থকা ঘাঁহনিত উদ্ধাৰ হোৱা অজগৰটোৱে এটা কিশোৰক খেদি অহাত পৰিয়ালটোৰ মাজত হৈ চৈ লাগে। ততালিকে ওচৰ-চুবুৰীয়া আহি অজগৰটো আৱদ্ধ কৰি ৰাখে। এই খবৰ পোৱা মাত্ৰকে হাজো বন বিভাগৰ লোক উপস্থিত হৈ প্ৰায় ২০ কিলোগ্ৰাম ওজনৰ অজগৰটো উদ্ধাৰ কৰি আনি সংৰক্ষিত অঞ্চলত এৰি দিয়ে।

নদীত জাহ যোৱাৰ উপক্ৰম ৰাস মন্দিৰ

লাহৰীঘাটত ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ২৪ মে’ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত কাঠনীত অব্যাহত আছে ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়া। কাঠনীৰ শতাধিক পৰিয়ালৰ ঘৰ-বাৰী, কৃষিভূমি ইতিমধ্যে খহনীয়াত জাহ যোৱাত পৰিয়ালসমূহৰ অধিকাংশই দক্ষিণাঞ্চলৰ বিভিন্ন ঠাইলৈ স্থানান্তৰ হ’বলৈ বাধ্য হৈছে। ব্ৰহ্মপুত্ৰৰ নিচেই কাষতে বহুকেইটা পৰিয়ালৰ ঘৰ-বাৰী, কৃষিভূমি থকাত কৃষিকৰ্মৰে পৰিয়াল পোহপাল দিয়া দৰিদ্ৰ পৰিয়ালসমূহলৈ অমানিশা নামি অহাৰ আশংকাত দিক্‌বিদিক হেৰুৱাবলগীয়া হৈছে। যোৱা কিছুদিন ধৰি কাঠনী অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াই অধিক ভয়াৱহ ৰূপ ধাৰণ কৰি বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। গৃহহীন হৈছে শতাধিক পৰিয়াল। খহনীয়াত জাহ গৈছে কাঠনী প্ৰাথমিক বিদ্যালয়। উক্ত খহনীয়াত কাঠনী চাৰিআলি জাহ যোৱাৰ উপক্ৰম হোৱাৰ লগতে শতবছৰীয়া পুৰণি কাঠনী ৰাস মন্দিৰৰ অৱস্থাও তথৈবচ। বৃহত্তৰ দক্ষিণ অঞ্চল ৰক্ষাৰ্থে জিলা জলসম্পদ বিভাগে নতুনকৈ নিৰ্মাণ কৰা মথাউৰিটো খহনীয়াত নিশ্চিহ্ন হোৱাৰ পথত। কাঠনী অঞ্চলত খহনীয়াৰ প্ৰকোপ অব্যাহত থকাত নৈপৰীয়া ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। কাঠনীৰ খহনীয়া প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে জিঅ’ বেগৰ ব্যৱস্থা কৰিছে যদিও কোনো সুফল পোৱা নাই। কাঠনী অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগে দায়িত্ব সহকাৰে বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে অতি কম দিনৰ ভিতৰত কাঠনীৰ বৃহৎ অঞ্চল নদীত জাহ যাব বুলি নৈপৰীয়া ৰাইজে অভিযোগ কৰিছে। বিজ্ঞানসন্মতভাৱে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ তথা জলসম্পদ বিভাগক ৰাইজে দাবী জনাইছে।